প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

# কোভিড-১৯ মহামাৰীৰ এই দুৰ্যোগৰ সময়ত অসমৰ আৰ্থ-সামাজিক ভেটি মজবুত কৰি ৰখাৰ যুঁজত পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ বিষয়া-কৰ্মচাৰীসকল আগশাৰীৰ যোদ্ধা হওক—হোজাইত মন্ত্ৰী নৱ দলে

**গুৱাহাটী, ১৪ মে’ ঃ** হোজাই জিলাত গ্ৰামোন্নয়ন আঁচনিসমূহৰ ৰূপায়ণৰ অগ্ৰগতিৰ বুজ ল’বলৈ আজি জিলাখনৰ উপায়ুক্তৰ সভাকক্ষত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেয়ে জিলাখনৰ উপায়ুক্ত চাদনেক সিঙৰ উপস্থিতিত বিভাগীয় বিষয়াসকলৰ সৈতে এক পৰ্যালোচনা সভাত মিলিত হয়। সভাত বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কা আৰু আয়ুক্ত হেমেন দাসৰ নেতৃত্বত যোৱা উচ্চ পৰ্যায়ৰ বিষয়াসকলৰ সৈতে ক্ষেত্ৰীয় বিষয়াসকলে গ্ৰামোন্নয়নৰ অধীনৰ বিভিন্ন আঁচনি যেনে এমজিএনৰেগা, পিএমএৱাই-জি, চতুৰ্দশ বিত্তীয় আয়োগ, এনএছএপি, ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান আদি আঁচনিৰ ৰূপায়ণ সম্পৰ্কত আলোচনা কৰা হয়।

আলোচনাকালত বিভিন্ন আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত সন্মুখীন হোৱা অসুবিধাসমূহৰ বিষয়ে বিশেষকৈ খণ্ড উন্নয়ন বিষয়াসকলৰ পৰা বুজ লোৱা হয় আৰু আঁচনিৰ সফল ৰূপায়ণৰ বাবে ল’ব লগা পদক্ষেপ সম্পৰ্কত পৰামৰ্শ আগবঢ়াই প্ৰতিখন আঁচনি সম্পূৰ্ণ কৰাৰ বাবে সময় নিৰ্দ্ধাৰণ কৰি দিয়াৰ লগতে তিনিমাহ পিছত মন্ত্ৰীগৰাকী নিজে গৈ পুনৰ পৰ্যালোচনা কৰিব বুলি জনায়।

বৰ্তমান কৰ’না ভাইৰাছৰ সংক্ৰমণে জনস্বাস্থ্যৰ লগতে দেশৰ আৰ্থ-সামাজিক আদি সকলো ক্ষেত্ৰতে অনা প্ৰত্যাহ্বানৰ মুখামুখি হৈ ৰাজ্যখনৰ উন্নয়ন সাধিবলৈ হ’লে সকলোৱে একাগ্ৰতাৰে আৰু সংগবদ্ধভাৱে কাম কৰিব লাগিব বুলি আলোচনা কালত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই সংকটপূৰ্ণ সময়ত এমজিএনৰেগাৰ জৰিয়তে গ্ৰাম্য দুখীয়া জনসাধাৰণৰ লগতে বহিঃৰাজ্যৰ পৰা আহি নিৰনুৱা হৈ থকা লোকসকলকো মজুৰিভিত্তিক কামেৰে উপকৃত কৰি গ্ৰাম্য দুখীয়া জনসাধাৰণৰ জীৱিকা অৰ্জনত বিশেষ ভূমিকা পালন কৰি গ্ৰাম্য অৰ্থনীতি মজবুত কৰিবলৈ আহ্বান জনায়। ইয়াৰ বাবে সজাগতা সৃষ্টি কৰি সকলোকে কাম কৰিবলৈ আগবঢ়ি অহাত উৎসাহ যোগাবলৈও সকলো ক্ষেত্ৰীয় বিষয়াক তেওঁ আহ্বান জনায়। এই ক্ষেত্ৰত সময়মতে সকলো আগ্ৰহী ব্যক্তিক জব কাৰ্ড প্ৰদান কৰাৰ উপৰি কাম আৰু মজুৰিও সময়মতে দিয়াৰ ব্যৱস্থা কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে।

এই দুৰ্যোগৰ সময়ত গ্ৰাম্য উন্নয়নৰ সকলো আঁচনি সফলতাৰে ৰূপায়ণ কৰি যাতে গ্ৰাম্য দুখীয়া জনসাধাৰণক প্ৰকৃতাৰ্থত সহায় কৰাৰ লগতে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা ৰাজ্যৰ অৰ্থনৈতিক পৰিকাঠামো সবল ৰূপত ধৰি ৰাখিব পাৰি তাৰ বাবে গ্ৰামোন্নয়ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক আগশাৰীৰ যোদ্ধা হিচাপে নিজকে সমৰ্পণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়।

আনহাতে বৰ্তমান কৰ’না মহামাৰীৰ বাবে মানি চলিবলগীয়া সামাজিক দূৰত্ব, মাস্ক পৰিধান আৰু সঘনাই হাত ধোৱাকে ধৰি সকলো নীতি মানি চলিবলৈ সকলোকে আহ্বান জনোৱাৰ উপৰি

চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান আদি চেনিটাইজ কৰাৰ উপৰি সামাজিক সুৰক্ষা সুনিশ্চিত কৰিবলৈ সৌৰশক্তি চালিত বিদ্যুত যোগান ব্যৱস্থাও সুপৰিকল্পিতভাৱে হাতত ল'বলৈ তেওঁ নিৰ্দেশ দিয়ে।

আনহাতে বৰ্তমানৰ দুৰ্যোগপূৰ্ণ পৰিস্থিতিত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনৰ আত্মসহায়ক গোটসমূহলৈ বেংক ঋণ প্ৰদানৰ ব্যৱস্থা কৰি তেওঁলোকে হাতত লোৱা কাৰ্যসমূহ বহল ভিত্তিত কৰিবৰ বাবে সুবিধা কৰি দিবলৈ নিৰ্দেশ দিয়া হয়। লগতে মাস্ক প্ৰস্তুতৰ ক্ষেত্ৰত আৰু অধিক গুৰুত্ব দিবলৈ আহ্বান জনায়। ইয়াৰ জৰিয়তে জীৱন জীৱিকাৰ লগতে সমাজৰো উন্নয়ন হ'ব বুলি উল্লেখ কৰি জিলাখনৰ উপায়ুক্তগৰাকীক এই সকলো ক্ষেত্ৰতে তদাৰক কৰিবলৈ নিৰ্দেশনা দিয়ে।

আজিৰ পৰ্যালোচনা সভাত হোজাই জিলা পৰিষদৰ সভানেত্ৰী ৰমা দেৱী, উপসভাপতি নুৰ আহমেদ, বিভাগৰ অতিৰিক্ত সঞ্চালক খগেশ্বৰ পেগু, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক উৎপলা শইকীয়া, অতিৰিক্ত মিছন সঞ্চালক ক্ষিতিশ পেগু, হোজাই জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া পুনম ৰাও বৰাকে ধৰি বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

*এম আৰ ডি/১৪-০৫-২০২০*


পৰ্য্যালোচনা সভা
SHOT ON REDMI NOTE5 PRO
MI DUAL CAMERA